# NSD NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI

0000000000

**Date :** 07-02-2025
**Time :** 0705 hrs

## *Assamese Morning Bulletin*

## HEADLINES

১। দিল্লী বিধানসভা নিৰ্বাচনৰ কাইলৈ ভোটগণনা কৰা হ'ব।

২। ভাৰত আৰু স্পেইনৰ প্ৰতিৰক্ষা মন্ত্ৰালয়ৰ মাজত যুটীয়া কৰ্মৰত গোটৰ পঞ্চমখন বৈঠক কালি নতুন দিল্লীত অনুষ্ঠিত হয়।

৩। প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিং আৰু আমেৰিকাৰ প্ৰতিৰক্ষা সচিব পিট হেগচেথ প্ৰতিৰক্ষাকে ধৰি বিভিন্ন খণ্ডত আগলৈকে যৌথভাৱে কাম কৰি যাবলৈ সহমতত উপনীত হৈছে।

*আৰু*

৪। নাগপুৰত কালি ভাৰত আৰু ইংলেণ্ডৰ মাজত অনুষ্ঠিত ৩ খনীয়া এদিনীয়া ক্ৰিকেট শৃংখলাৰ প্ৰথমখন খেলত ভাৰতে ইংলেণ্ডক ৪ উইকেটত পৰাস্ত কৰে।

ooooo

দিল্লী বিধানসভা নিৰ্বাচনৰ কাইলৈ ভোটগণনা কৰা হ'ব। ভোটগণনাৰ বাবে সকলো যাৱতীয় প্ৰস্তুতি সম্পূৰ্ণ হৈ উঠিছে। দিল্লীৰ মুখ্য নিৰ্বাচনী বিষয়া আৰ এলিছ বাজে কয়, যে আটাইকেইটা বিধানসভা সমষ্টিৰ নিৰ্বাচনী তথ্যপাতিসমূহ চালি জাৰি চোৱা হৈছে। তেওঁ কয়, যে এই প্ৰক্ৰিয়াৰ সময়ছোৱাত নিৰ্বাচন আয়োগৰ প্ৰতিনিধি প্ৰাৰ্থীৰ লগতে নিৰ্বাচনী বিষয়া সকলো উপস্থিত আছিল। এই প্ৰক্ৰিয়াৰ সময়ছোৱাত কোনো এগৰাকী প্ৰাৰ্থীয়ে অভিযোগ দিয়া নাই। ইলেকট্ৰনিক ভোটিং মেচিন, ই ভি এমসমূহ নিৰ্বাচনী আয়োগ আৰু আৰক্ষী বিষয়াসকলৰ কটকটীয়া নিৰাপত্তা বেষ্টনীৰ মাজত ষ্ট্ৰং ৰুমত ৰখা হৈছে। ভোটগণনাৰ বাবে দিল্লীৰ ১১ খন জিলাত ১৯টা কেন্দ্ৰ স্থাপন কৰা হৈছে। তেওঁ কয়, যে এই ভোটগণনাৰ বাবে ১২ হাজাৰ লোকক নিয়োগ কৰা হৈছে।

ooooo

ভাৰত আৰু স্পেইনৰ প্ৰতিৰক্ষা মন্ত্ৰালয়ৰ মাজত যুটীয়া কৰ্মৰত গোটৰ পঞ্চমখন বৈঠক কালি নতুন দিল্লীত অনুষ্ঠিত হয়। বৈঠকত দুয়ো পক্ষই দ্বিপাক্ষিক প্ৰতিৰক্ষা সহযোগিতাৰ গতি-বিধি পৰ্যালোচনা কৰাৰ উপৰি সামুদ্ৰিক ক্ষেত্ৰকে ধৰি বিভিন্ন যৌথ কাৰ্যসূচীক লৈ আলোচনা কৰে। প্ৰতিৰক্ষা মন্ত্ৰালয়ে এটা বিবৃতিত প্ৰকাশ কৰিছে যে, দুয়োখন ৰাষ্ট্ৰই বিশেষকৈ অস্ত্ৰ-শস্ত্ৰ নিৰ্মাণ তথা প্ৰযুক্তিগত দিশত ঘনিষ্ঠ সহযোগিতাৰে গুৰুত্ব প্ৰদানৰ বাবে সন্মত হৈছে।

ooooo

ৰাষ্ট্ৰক প্ৰথম অগ্ৰাধিকাৰ দিয়াটো কেন্দ্ৰীয় চৰকাৰৰ নীতি আৰু এই দৃষ্টিভংগী তুষ্টিকৰণৰ নহয়, সন্তুষ্টিকৰণৰ দৃষ্টিভংগী বুলি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে উল্লেখ কৰিছে। প্ৰধানমন্ত্ৰীয়ে কয়, যে দেশৰ জনসাধাৰণে এই নীতিক সমৰ্থন দিয়াৰ বাবে তেওঁৰ চৰকাৰে তৃতীয়বাৰৰ বাবে জনাদেশ লাভ কৰিছে। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৰ অভিভাষণৰ ধন্যবাদসূচক প্ৰস্তাৱৰ উত্তৰ দি প্ৰধানমন্ত্ৰীয়ে কালি ৰাজ্যসভাত এই কথা প্ৰকাশ কৰে। শ্ৰীমোদীয়ে কংগ্ৰেছক সমালোচনা কৰি কয়, যে কংগ্ৰেছে সবকা সাথ, সবকা বিকাশ আদৰ্শৰ কথা বুজি নাপায়, কিয়নো এই দলটো এটা পৰিয়াল কেন্দ্ৰীক দল। শ্ৰীমোদীয়ে লগতে কয়, যে কংগ্ৰেছৰ ৰাজনীতিৰ মন্ত্ৰ হৈছে শাসনত থকা আন দলক অস্থিৰ কৰি তোলা। সেয়েহে যি দলৰ চৰকাৰ শাসনলৈ আহে কংগ্ৰেছে সেই দলক অস্থিৰ কৰিবলৈ বিচাৰে বুলিও শ্ৰীমোদীয়ে তাৎপৰ্যপূৰ্ণ মন্তব্য কৰে। প্ৰধানমন্ত্ৰীয়ে জানিবলৈ দিয়ে যে তেওঁৰ চৰকাৰে দক্ষতাৰ বিকাশ, বিত্তীয় ব্যৱস্থা আৰু উদ্যোগীকৰণক অগ্ৰাধিকাৰ দিছে। তেওঁ কয়, যে আমাৰ দেশৰ অৰ্থব্যৱস্থা দ্ৰুতগতিত আগবাঢ়িছে আৰু ইয়াৰ বাবে প্ৰতিগৰাকী ভাৰতীয়ই গৰ্ব অনুভৱ কৰে।

ইয়াৰ পূৰ্বে আলোচনাত ভাগ লৈ বিজেপিৰ দেৱেন্দ্ৰ প্ৰতাপ সিঙে কয়, যে চৰকাৰে কৃষক তথা অনুসূচীত জাতি আৰু জনজাতিৰ কল্যাণৰ বাবে ভালেমান পদক্ষেপ গ্ৰহণ কৰিছে। শ্ৰীসিঙে ৰাষ্ট্ৰপতিৰ ভাষণ সন্দৰ্ভত সংবাদ মাধ্যমৰ আগত বিৰোধী দলৰ নেতাই কৰা তাচ্ছিল্যসূচক মন্তব্যৰো গৰিহনা দিয়ে। এই বিতৰ্কত প্ৰাক্তন প্ৰধানমন্ত্ৰী তথা জনতা দলৰ নেতা এইচ ডি দেৱেগৌড়া, কংগ্ৰেছৰ ৰাজীৱ শুক্লা, সমাজবাদী পাৰ্টীৰ জয়া বচ্চন, আপৰ সঞ্জীৱ আৰোৰা, বি এছ্ পিৰ ৰামজীৰ লগতে আন আন সদস্যসকলে ভাগ লয়।

০০০০০

প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে কালি আমেৰিকাৰ প্ৰতিৰক্ষা সচিব পিট হেগচেথৰ সৈতে বিশেষ আলোচনাত মিলিত হয়। টেলিফোন যোগে হোৱা বাৰ্তালাপত দুয়ো স্থল, বায়ু, সামুদ্ৰিক আৰু মহাকাশকে ধৰি বিভিন্ন ক্ষেত্ৰত দুয়োখন ৰাষ্ট্ৰৰ মাজৰ প্ৰতিৰক্ষা সহযোগিতাৰ বিষয়সমূহ পৰ্যালোচনা কৰে। এই বাৰ্তালাপতে শ্ৰীসিঙে আমেৰিকা প্ৰতিৰক্ষা সচিব ৰূপে নিযুক্তি লাভ কৰা বাবে হেগচেথক অভিনন্দন জনায়। দুয়োগৰাকী নেতাই উভয় ৰাষ্ট্ৰৰ প্ৰতিৰক্ষা সহযোগিতাৰ শলাগ লোৱাৰ লগতে আগলৈ এই সম্পৰ্ক অধিক সুদৃঢ় কৰাৰ পোষকতা কৰে। লগতে প্ৰযুক্তিগত সহযোগিতা, তথ্যৰ আদান-প্ৰদান, যৌথ সামৰিক অনুশীলন আদি বিষয়ত একেলগে কাম কৰাৰো দুয়ো সিদ্ধান্ত লয়। ভাৰত আৰু আমেৰিকাই যৌথভাৱে কাম কৰি প্ৰতিৰক্ষা সহযোগিতাৰ বিস্তৃত পৰিকাঠামোৰ খচৰা প্ৰস্তুত কৰা তথা ২০২৫ৰ পৰা ২০৩৫ চনৰ বাবে দ্বিপাক্ষিক সহযোগিতাৰ গাঁথনি সাজু কৰ বিষয়টোতো দুয়ো সন্মতি প্ৰদান কৰে।

০০০০০

কেন্দ্ৰীয় চৰকাৰে কৈছে যে প্ৰধানমন্ত্ৰী নগৰীয়া আৱাস যোজনাৰ অধীনত এতিয়ালৈ ৯০ লাখতকৈ অধিক পৰিয়ালে বাসগৃহ লাভ কৰিছে। লোকসভাত দিয়া এটা লিখিত উত্তৰত গৃহ নিৰ্মাণ আৰু নগৰ পৰিক্ৰমা বিভাগৰ ৰাজ্যমন্ত্ৰী তোখান চাহুৰে কৈছে যে ১ কোটি ১৮ লাখতকৈ অধিক বাসগৃহ নিৰ্মাণত অনুমোদন জনোৱা হৈছে আৰু ইয়াৰে ১ কোটি ১২ লাখতকৈ অধিক বাসগৃহৰ নিৰ্মাণ কাৰ্য চলি আছে।

০০০০০

উপ ৰাষ্ট্ৰপতি জগদীপ ধনখড় এদিনীয়া ভ্ৰমণসূচীৰে আজি কৰ্ণাটকৰ ৰানেবেন্নুৰলৈ যাব। ভ্ৰমণৰ সময়ছোৱাত উপ ৰাষ্ট্ৰপতিগৰাকী ৰানেবেন্নুৰত অনুষ্ঠিত কৰ্ণাটক বৈভভ সাহিত্য আৰু সংস্কৃতি মহোৎসৱৰ উদ্বোধনী অনুষ্ঠানত মুখ্য অতিথি হিচাপে উপস্থিত থাকিব।

০০০০০

নতুন দিল্লীৰ ভাৰত মণ্ডপমত অহা ১০ ফেব্ৰুৱাৰীত **পৰীক্ষা পে চৰ্চা**ৰ অষ্টম সংস্কৰণ অনুষ্ঠিত হ'ব। এই অনুষ্ঠানত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ লগতে দেশৰ ভিন্ন প্ৰান্তৰ ভিন্ন বৃত্তিৰ বিশিষ্ট ব্যক্তিসকলে নিজৰ অভিজ্ঞতা শিক্ষাৰ্থীসকলৰ সৈতে বিনিময় কৰিব। এই অনুষ্ঠান দূৰদৰ্শনৰ উপৰি স্বয়ম, স্বয়ম প্ৰভা, প্ৰধানমন্ত্ৰী কাৰ্যালয়ৰ ইউ টিউব চেনেল আৰু তথ্য আৰু প্ৰযুক্তি মন্ত্ৰালয়ৰ সামাজিক মাধ্যমযোগে পোনপটীয়াকৈ প্ৰচাৰিত হ'ব। চলিত বৰ্ষত এই অনুষ্ঠানত অংশগ্ৰহণৰ বাবে প্ৰায় ৩ কোটি শিক্ষাৰ্থী, শিক্ষক আৰু অভিভাৱকে আবেদন কৰিছিল। ইয়াৰ ভিতৰত ৩৬ গৰাকী শিক্ষাৰ্থীয়ে এই অনুষ্ঠানত প্ৰধানমন্ত্ৰী মোদীৰ সৈতে পোনপটীয়াকৈ কথা পাতিব পাৰিব। এই অনুষ্ঠানত পৰীক্ষাৰ সময়ত পৰীক্ষাৰ্থীয়ে সন্মুখীন হোৱা মানসিক চাপ দূৰ কৰাৰ উপায় সন্দৰ্ভত আলোকপাত কৰা হয়। এই অনুষ্ঠানৰ বাবে অনলাইনযোগে আবেদন কৰা ছাত্ৰ-ছাত্ৰী আৰু শিক্ষকৰ মাজৰ পৰা ৬ৰ পৰা ১২ গৰাকীক যোগ্য বিবেচনা হয়।

০০০০০

বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড° এছ জয়শংকৰ আৰু গ্ৰীচৰ বৈদেশিক মন্ত্ৰী জৰ্জ জেৰাপেট্ৰিটিজে কালি নতুন দিল্লীত দ্বিপাক্ষিক আলোচনাত মিলিত হয়। দুয়োগৰাকী নেতাই পাৰস্পাৰিক স্বাৰ্থজড়িত বিভিন্ন বিষয় সন্দৰ্ভত নিজৰ মত বিনিময় কৰে। বৈঠকৰ সময়ত জয়শংকৰে ভাৰত-গ্ৰীচৰ বন্ধুত্বপূৰ্ণ সম্পৰ্কৰ কথা উল্লেখ কৰি কয়, যে ভাৰতে ব্যৱসায় বাণিজ্য বিনিয়োগ আৰু প্ৰযুক্তি ক্ষেত্ৰত সহযোগিতা বিচাৰে। গ্ৰীচৰ বৈদেশিক মন্ত্ৰী জৰ্জ জেৰাপেট্ৰিটিজে কয়, যে গ্ৰীচে পৰ্যটন, সংস্কৃতি আৰু ব্যৱসায়ৰ লগতে সকলো ক্ষেত্ৰতে ভাৰতৰ সৈতে নিজৰ সম্পৰ্ক অধিক শক্তিশালী কৰিব বিচাৰে।

০০০০০

প্ৰয়াগৰাজত অনুষ্ঠিত মহাকুম্ভ মেলাত জনসাধাৰণৰ মাজত তিনিখন নতুন ফৌজদাৰী আইন সন্দৰ্ভত সজাগতা সৃষ্টিৰ উদ্দেশ্যে এখন ডিজিটেল প্ৰদৰ্শনীৰ ব্যৱস্থা কৰা হৈছে। ভাৰতীয় ন্যায় সংহিতা, ভাৰতীয় নাগৰিক সুৰক্ষা সংহিতা, ভাৰতীয় সাক্ষ্য অধিনিয়ম সন্দৰ্ভত জনসাধাৰণক সজাগ কৰি তোলাৰ উদ্দেশ্যে এই ব্যৱস্থা গ্ৰহণ কৰা হৈছে।

ভাৰতীয় ন্যায় ব্যৱস্থাৰ উল্লেখযোগ্য পৰিৱৰ্তন কৰি যোৱা বছৰৰ পহিলা জুলাইৰ পৰা এই নতুন আইন কেইখন ৰূপায়ণ কৰা হৈছে।

০০০০০

নাগপুৰৰ বিধৰ্ভ ক্ৰিকেট এছোছিয়েছন ষ্টেডিয়ামত কালি ভাৰত আৰু ইংলেণ্ডৰ মাজত অনুষ্ঠিত পুৰুষৰ ৩ খনীয়া এদিনীয়া ক্ৰিকেট শৃংখলাৰ প্ৰথমখন খেলত ভাৰতে ইংলেণ্ডক ৪ উইকেটত পৰাস্ত কৰে। ইংলেণ্ডে প্ৰথমে বেট ধৰি ৪৭ অভাৰ আৰু ৪টা বলত আটাইকেইটা উইকেট হেৰুৱাই ২৪৮ ৰাণ সংগ্ৰহ কৰে। প্ৰত্যুত্তৰত ভাৰতে ৩৮ অভাৰ আৰু ৪টা বলত ৬টা উইকেটৰ বিনিময়ত ২৫১ ৰান কৰি বিজয় লক্ষ্যত উপনীত হয়। এই বিজয়েৰে ভাৰতে শৃংখলাত ১-০ৰ অগ্ৰগতি লাভ কৰিলে। শৃংখলাৰ দ্বিতীয়খন খেল পৰহিলৈ কটকত অনুষ্ঠিত হ'ব।

০০০০০

উত্তৰাখণ্ডত চলি থকা ৩৮ সংখ্যক ৰাষ্ট্ৰীয় ক্ৰীড়া সমাৰোহৰ কালি দশম দিনা ছাৰ্ভিছেছৰ হৈ নীৰজ কুমাৰে পুৰুষৰ ৫০ মিটাৰ ৰাইফল পজিছ্নত সোণৰ পদক অৰ্জন কৰে। পুৰুষৰ ৰিকাৰ্ভ শাখাত পশ্চিমবংগৰ জুৱেল চৰ্কাৰে সোণৰ পদক লাভ কৰাৰ লগতে ছাৰ্ভিছেছে ৰূপৰ পদক আৰু ছিকিমে ব্ৰঞ্জৰ পদক অৰ্জন কৰে। মহিলাৰ ৰিকাৰ্ভ দলীয় শাখাত মহাৰাষ্ট্ৰই সোণ, ঝাৰখণ্ডে ৰূপ আৰু হাৰিয়ানাই ব্ৰঞ্জৰ পদক লাভ কৰে।

প্ৰতিযোগিতাত কালি অসমৰ ৪ গৰাকী বক্সাৰে নিজ নিজ শাখাৰ ফাইনেলত প্ৰৱেশ কৰিছে। তাৰকা বক্সাৰ শিৱ থাপাই চেমি ফাইনেলত মহাৰাষ্ট্ৰৰ প্ৰতিদ্বন্দিক ৫-০ ৰ ব্যৱধানত পৰাজিত কৰি ফাইনেলত প্ৰৱেশ কৰে। একেদৰে অভিনৱ শইকীয়াই দিল্লীৰ প্ৰতিদ্বন্দিক ৫-০ ৰ ব্যৱধানত পৰাজিত কৰি ফাইনেলত প্ৰৱেশ কৰে। তাৰকা বক্সাৰ লাভলীনা বৰগোহাই আৰু অংকুশিতা বড়ো উভয়ে নাগপুৰৰ প্ৰতিপক্ষক ৫-০ কৈ ব্যৱধানত পৰাজিত কৰি ফাইনেলত প্ৰৱেশ কৰে।

০০০০০

**সমাপ্ত**